# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-11-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
- - - - - - - - - - - - - - -

১।	এজন ভাৰতীয় ব্যৱসায়ীৰ উৎকোচৰ অভিযোগ সন্দৰ্ভত সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশৰ বাবে সংসদৰ উভয় সদনৰ আজি প্ৰথম দিনাৰ কাৰ্যসূচী স্থগিত।

২।	ভাৰতীয় সংবিধানৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে কাইলৈৰ পৰা দেশব্যাপী বছৰযোৱা কাৰ্যসূচী উদযাপন।

৩।	অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ অহা বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা অহা ১৫ ফেব্ৰুৱাৰীত আৰম্ভ।

৪।	অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত প্ৰথম টেষ্টত ২৯৫ ৰানৰ ব্যৱধানত ভাৰতৰ ঐতিহাসিক জয়। পাঁচখন খেলৰ শৃংখলাত ভাৰতৰ ১-০ৰ অগ্ৰগতি। **আৰু**

৫।	জেড্ডাত অনুষ্ঠিত আই পি এলৰ খেলুৱৈ নিলামৰ আজি দ্বিতীয় দিনা ভাৰতীয় বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰৰ সৰ্বাধিক দৰ লাভ।

ooooo

এজন ভাৰতীয় উদ্যোগপতি আৰু তেওঁৰ সংস্থাৰ বিৰুদ্ধে উৎকোচৰ অভিযোগ, মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি আৰু ৱাক্‌ফ সংশোধনী বিধেয়কক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত উভয় সদনৰে কাম-কাজ স্থগিত ৰাখিবলগীয়া হয়। ৰাজ্যসভাত আজি সদনৰ পূৰ্বৱৰ্তী অধিৱেশনৰ পাছৰ সময়ছোৱাত মৃত্যু হোৱা ছগৰাকী প্ৰাক্তন সাংসদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পাছতেই বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই এগৰাকী উদ্যোগপতিৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগৰ বিষয়টো উত্থাপনৰ চেষ্টা কৰে। কংগ্ৰেছ, ডি এম কে, আৰ জে ডি, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী আৰু বাওঁপন্থী দলৰ সদস্যসকলেও তেওঁৰ সমৰ্থনত ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু বিশেষ উদ্যোগপতি গৰাকী সন্দৰ্ভত সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুমতি দিয়াৰ দাবী জনায়। সভাপতি জগদীপ ধনখড়ে উত্তেজিত সদস্যসকলক ক্ষান্ত কৰিবলৈ বাৰম্বাৰ অনুৰোধৰ প্ৰতি বিৰোধী সদস্যসকলে কৰ্ণপাত নকৰাত সভাপতিয়ে সদনৰ কাম-কাজ স্থগিত ৰাখে। ইয়াৰ পাছত দিনৰ ১১ বাজি ৪৫ মিনিটত সদন পুনৰ মিলিত হোৱাৰ সময়তো বিৰোধী পক্ষৰ সদস্যসকল তেওঁলোকৰ দাবীত অটল থকাত সভাপতিয়ে দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

লোকসভাতো আজি নিম্ন সদনৰ দুগৰাকী বৰ্তমানৰ সদস্য বসন্ত ৰাও চবন আৰু শ্বেখ নুৰুল ইছলামৰ বিয়োগত শ্ৰদ্ধা নিবেদনৰ পাছতে বিৰোধী সদস্যসকলে প্ৰায় একেকেইটা বিষয় লৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ

দাবী জনোৱাত সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। অধ্যক্ষ ওম বিৰলাই প্ৰথমে সদনৰ কাম-কাজ ১২ বজালৈ আৰু পাছত দিনটোৰ বাবে স্থগিত ৰাখে।

০০০০০

ভাৰতৰ সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে কেন্দ্ৰীয় চৰকাৰে কাইলৈৰ পৰা বছৰযোৰা কাৰ্যসূচী উদযাপন কৰিব। অহা বছৰৰ ২৬ নৱেম্বৰলৈ এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ১৯৪৯ চনৰ কাইলৈৰ দিনটোতে সংবিধান সভাই ভাৰতৰ সংবিধানখন গ্ৰহণ কৰিছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা এই সংবিধান দেশত বলবৎ হয়। এই অনুষ্ঠানৰ বিষয়ে সবিশেষ উল্লেখ কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজুজুৱে কয়, যে এই উপলক্ষে নতুন দিল্লীৰ পুৰণি সংসদ ভৱন - সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ দুয়োখন সদনক উদ্দেশি ভাষণ দিব। আমাৰ সংবিধান আমাৰ স্বাভিমান শীৰ্ষক বিষয়বস্তুলৈ আয়োজিত এই অনুষ্ঠানৰ জৰিয়তে আমাৰ সংবিধান প্ৰণেতা সকলৰ অৱদানক সন্মান জনোৱাৰ উপৰি সংবিধানৰ প্ৰমূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে। এই সন্দৰ্ভত আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয়, যে এই অনুষ্ঠানৰ জৰিয়তে সংবিধান প্ৰণেত ড০ বাবা চাহেব আম্বেদকাৰৰ গুৰুত্বপূৰ্ণ অৱদান আৰু সংবিধানৰ খচৰা সমিতিত অন্তৰ্ভূক্ত ১৫ গৰাকী ব্যক্তিক্ৰমী মহিলাৰ প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰিবলৈ বিচৰা হৈছে।

কাইলৈ দিল্লীত উলিয়াব লগীয়া আমাৰ সংবিধান আমাৰ স্বাভিমান পদযাত্ৰাত অলিম্পিক পদক বিজয়ী যোগেশ্বৰ দত্ত, মীৰাবাঈ চানু আৰু ৰবি দাহীয়াকে ধৰি প্ৰায় ১০ হাজাৰ লোকে অংশগ্ৰহণ কৰাৰ কথা আছে। অসমতো কাইলৈ আমাৰ সংবিধান আমাৰ স্বাভিমান শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা বছৰৰ ৫ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন শীৰ্ষ সন্মিলন অৰ্থাৎ ৱেভছৰ প্ৰস্তাৱনা কাৰ্যসূচীৰ অংশ হিচাপে আজি ভাৰত চৰকাৰৰ প্ৰেছ ইনফৰমেচন ব্যুৰ' গুৱাহাটী মাণ্ডলিক কাৰ্যালয়ৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক গণমাধ্যম, মনোৰঞ্জন আৰু বিষয়বস্তু সৃষ্টিৰ গতিশীল জগতখনৰ সৈতে সংযুক্ত কৰোৱাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত গণমাধ্যম শিক্ষাৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞসকলৰ পৰা জ্ঞান আৰহণ কৰি নিজৰ সৃজনীশক্তিৰ বিকাশ সাধন সম্পৰ্কে পৰামৰ্শ দিয়া হয়। এই অনুষ্ঠানৰ জৰিয়তে শিক্ষাৰ্থীসকল আৰু উদ্যোগক্ষেত্ৰৰ বিশেষজ্ঞসকলৰ মাজত সংযোগ সাধনৰো প্ৰয়াস কৰা হৈছে। আজিৰ অনুষ্ঠানত প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নম্বুদিৰিপাদ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধানগৰাকীয়ে এইদৰে কয়-

**বাইট (কে সতীশ নম্বুদিৰিপাদ)**

উল্লেখযোগ্য যে অহা ফেব্ৰুৱাৰীত নতুন দিল্লীত হ'বলগীয়া ৱেভছৰ শীৰ্ষ সন্মিলনত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ ঔদ্যোগিক নেতা, কণ্টেণ্ট ক্ৰিয়েটৰ আৰু মনোৰঞ্জন উদ্যোগৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰিব।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময়সূচী আজি ঘোষণা কৰিছে। এই পৰীক্ষা ৩ মাৰ্চলৈকে চলিব। পৰিষদে ঘোষণা কৰা অনুসৰি ব্যৱহাৰিক

পৰীক্ষাসমূহ ২১ আৰু ২২ জানুৱাৰীত অনুষ্ঠিত হ'ব। ইপিনে, পৰিষদে অহা বছৰ হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰপত্ৰ পূৰণৰ বাবে আজি পুনৰ প'ৰ্টেল মুকলি কৰিছে। সেই অনুসৰি প্ৰপত্ৰ পূৰণৰ বাকী থকা সকলো কাম কাইলৈৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। পৰিষদে এটা নিৰ্দেশনাত উল্লেখ কৰা মতে পূৰ্বে পূৰণ কৰা প্ৰপত্ৰত কোনো আসোঁৱাহ ৰৈ গ'লে সেইসমূহো কাইলৈৰ ভিতৰত আঁতৰ কৰিব পৰা যাব। একেদৰে পৰহিলৈ মাচুল আদায়ৰ অন্তিম তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে অহা বছৰ হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে পৰিষদে অনলাইন প'ৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণৰ দিন ঘোষণা কৰিছিল। সেই অনুসৰি যোৱা ২৩ অক্টোবৰৰ পৰা ১৪ নৱেম্বৰলৈ বিদ্যালয়সমূহে sebaregistration.org শীৰ্ষক প'ৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ কৰিব পাৰিব বুলি ঘোষণা কৰিছিল যদিও ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে আজি পুনৰ প'ৰ্টেলটো মুকলি কৰি দিয়া হৈছে। প্ৰপত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনাইছে। লগতে অফলাইনত কোনো ধৰণৰ প্ৰপত্ৰ গ্ৰহণ কৰা নহয় বুলিও প্ৰকাশ কৰিছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কাইলৈৰ পৰা অহা ২৯ নৱেম্বৰলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। কাজিৰঙাৰ লগতে ৰাজ্যখনৰ পৰ্যটনৰ উৎকৰ্ষ সাধনৰ বাবে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে অসম পৰ্যটনৰ সহযোগত এই মেলাৰ আয়োজন কৰিছে। এই পৰ্যটন মেলাত বিভিন্ন দেশৰ ২০ গৰাকী প্ৰতিনিধিৰ লগতে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ ১৮০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। বিদেশী অতিথিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, হাতীখুলি চাহ বাগিচা আৰু কাজিৰঙা জাতীয় অৰ্কিড উদ্যান দৰ্শন কৰিব। উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে পৰ্যটন মেলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। **-- ভইচ কাষ্ট --**

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্যক সৌজন্যমূলক সাক্ষাত কৰি ৰাজ্যখন উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত শ্ৰী আচাৰ্য্যৰ সৈতে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিভিন্ন স্তৰৰ জনসাধাৰণৰ কল্যাণৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনি সমূহ সন্দৰ্ভত ৰাজ্যপাল গৰাকীক অৱগত কৰে। তেওঁ লগতে এনেধৰণৰ সকলো উন্নয়নমূলক কাম-কাজৰ পৰিকল্পনা সম্পৰ্কে ৰাজ্যপাল গৰাকীক জানিবলৈ দিয়ে।

ooooo

দৰং জিলা ছাত্ৰ সন্থা আৰু অসম উন্নতি সভাৰ যৌথ উদ্যোগত আৰু ৰেচম বিভাগৰ কাৰিকৰীৰ সহযোগত দৰং জিলাৰ ছিপাঝাৰ অঞ্চলত বৰ্তমান পৰম্পৰাগত পদ্ধতিৰ সৈতে ৰেচম পলু পালনৰ আধুনিক প্ৰযুক্তিৰ সংমিশ্ৰণ ঘটাই ৰেচম উৎপাদনৰ নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে। আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে অঞ্চলটোৰ শ'লপাম, বছা চুবা, গৰকামৰা আৰু খাচ সোণাপুৰ গাঁৱৰ মহিলাসকলক ৰেচম বিভাগে উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰ পাছত পাট পলু আৰু এৰী পলু পালনৰ কামত নিয়োজিত কৰা হৈছে। তেওঁলোকক প্ৰদান কৰা প্ৰতি পেকেট অধিক উৎপাদনক্ষম ৰেচম বীজৰ পৰা এমাহৰ ভিতৰত কমেও ৮ কিলোগ্ৰাম ৰেচম লাট উৎপাদিত হ'ব। এই ৰেচম লাটৰ বজাৰ মূল্য প্ৰতি কিলোগ্ৰামত ৩৫০ টকাৰ পৰা ৪৫০ টকা পৰ্যন্ত হোৱাৰ বাবে প্ৰতিগৰাকী মহিলাই শ্ৰমৰ বিনিময়ত গড় হিচাপে মাহিলী প্ৰায় তিনি হাজাৰ টকাকৈ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। ভৱিষ্যতে এনে ৰেচম পালক মহিলাৰ সংখ্যা দুশলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

মিছিং জনগোষ্ঠীৰ হস্ততাঁত সামগ্ৰীলৈ ভৌগোলিক সূচ্যাংক বা জি আই টেগ স্বীকৃতিৰ প্ৰমাণপত্ৰ আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত প্ৰদান কৰা হয়। আজি কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং আৰু বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত আবেদনকাৰী সংস্থা হস্তশিল্প উন্নয়ন প্ৰতিষ্ঠানক এই প্ৰমাণপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী মাৰ্ঘেৰিটাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি এই সফলতাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। মিছিং জনগোষ্ঠীৰ হস্ততাঁত সামগ্ৰীলৈ এই স্বীকৃতিয়ে হস্ততাঁত শিল্পীসকলক ব্যৱসায়িকভাৱে উপকৃত কৰাৰ লগতে বিশ্বব্যাপি এই সামগ্ৰীসমূহৰ প্ৰদৰ্শনৰ এখন মঞ্চ মুকলি হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

নগাওঁ জিলাৰ ৰূপহীহাট থানাৰ অন্তৰ্গত গড়াজানত যোৱা ২২ নৱেম্বৰৰ নিশা ৪ জন লোকক হত্যাৰ ঘটনা সন্দৰ্ভত গঠন কৰা বিশেষ তদন্তকাৰী গোটে তদন্ত আৰম্ভ কৰিছে। অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমীত সিঙৰ নিৰ্দেশ অনুযায়ী জিলাখনৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই গঠন কৰা বিশেষ তদন্তকাৰী গোটে আজি এই সম্পৰ্কত ঘটনাস্থলী পৰিদৰ্শন কৰি প্ৰয়োজনীয় তথ্য-প্ৰমাণ সংগ্ৰহ কৰে। উল্লেখযোগ্য যে যোৱা ২২ নৱেম্বৰৰ নিশা গড়াজানৰ গুণধৰ চৰকাৰ নামৰ লোকজনৰ বাসগৃহত চাৰিজন লোকক দুৰ্বৃত্তই হত্যা কৰিছিল। ইতিমধ্যে আৰক্ষী আৰু অপৰাধ অনুসন্ধান শাখাৰ দলে সুকীয়াকৈ এই ঘটনাৰ তদন্ত চলাই আছে।

০০০০০

অসমৰ প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান নিশিনাথ চাংকাকতিৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মশানত আৰক্ষীৰ বিশেষ মৰ্যাদাৰে সম্পন্ন কৰা হয়। অন্ত্যেষ্টিক্ৰিয়াৰ পূৰ্বে উলুবাৰীত অৱস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত চাংকাকতিক শেষ শ্ৰদ্ধা জনোৱা হয়। দেওবাৰে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ৯১ বছৰ বয়সত দেহাৱসান হোৱা চাংকাকতিয়ে ১৯৮৮ চনত আৰক্ষী সঞ্চালকপ্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰা চাংকাকতি এজন সুদক্ষ আৰু বিষয়া হোৱাৰ লগতে সুলেখক হিচাপেও জনপ্ৰিয় আছিল।

০০০০০

পাৰ্থত অনুষ্ঠিত প্ৰথম টেষ্টত ভাৰতে অষ্ট্ৰেলিয়াক ২৯৫ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰি ইতিহাস সৃষ্টি কৰিছে। ভাৰতে এই জয়ৰে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। আজি খেলখনৰ চতুৰ্থ দিনা জয়লাভৰ বাবে দ্বিতীয় ইনিংছত ৫৩৩ ৰানৰ বৃহৎ লক্ষ্য অনুসৰণ কৰি অষ্ট্ৰেলিয়াই আটাইকেইটা উইকেট হেৰুৱাই কেৱল ২৩৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ ট্ৰেভিছ হেডে সৰ্বাধিক ৮৯ ৰাণ সংগ্ৰহ কৰে। মিছেল মাৰ্ছে ৪৭ আৰু এলেক্স কেৰীয়ে ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ অধিনায়ক যশপ্ৰীত বুমৰা আৰু মহম্মদ ছিৰাজে ৩টাকৈ উইকেট দখল কৰে। ৱাছিংটন সুন্দৰে দুটা আৰু হৰ্ষিত ৰাণা আৰু নীতিশ ৰেড্ডীয়ে এটাকৈ উইকেট দখল কৰে। ইয়াৰ আগতে আজি পুৱা কালি ৩ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১২ ৰানৰ পৰা খেলিবলৈ লৈ অষ্ট্ৰেলিয়াই ভোজন বিৰতিৰ পাছত বাকী ৭টা উইকেট হেৰুৱায়। স্বদেশত অনুষ্ঠিত ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ শৃংখলাৰ প্ৰথমখন টেষ্টত আজিৰ এই পৰাজয় অষ্ট্ৰেলিয়াৰ ভূমিত ভাৰতৰ বিৰুদ্ধে এয়া সৰ্ববৃহৎ ৰাণৰ ব্যৱধানৰ পৰাজয়। উল্লেখযোগ্য যে টেষ্টখনত মুঠ ৮টা উইকেট দখল বুমৰাই মেন অৱ দা মেচৰ সন্মান লাভ কৰে। এই জয়ৰ সূত্ৰে ভাৰতে আই চি চি টেষ্ট ৰেংকিঙত পুনৰ শীৰ্ষস্থানলৈ অগ্ৰসৰ হৈছে। শৃংখলাৰ দ্বিতীয় টেষ্টখন অহা ৬ ডিচেম্বৰৰ পৰা এডিলেইডত অনুষ্ঠিত হ'ব।

ooooo

ছৌদি আৰৱৰ জেড্ডাত অনুষ্ঠিত আই পি এলৰ খেলুৱৈ নিলামৰ আজি দ্বিতীয় তথা অন্তিম দিনা ভাৰতীয় বেগী বলাৰ ভূৱনেশ্বৰ কুমাৰে সৰ্বাধিক দৰ লাভ কৰিছে। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ভূৱনেশ্বৰ কুমাৰক ১০ কোটি ৭৫ লাখ টকাত ক্ৰয় কৰে। ইয়াৰ পাছতে বেগী বলাৰ দীপক চাহাৰে দ্বিতীয় সৰ্বাধিক দৰ লাভ কৰিছে। মুম্বাই ইণ্ডিয়ানছে দীপক চাহাৰক ৯ কোটি ২৫ লাখ টকাত ক্ৰয় কৰে। আনহাতে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে বেগী বলাৰ আকাশদ্বীপক ৮ কোটি, ৰাজস্থান ৰয়েলছে উদীয়মান বলাৰ তুষাৰ দেশপাণ্ডেক ৬ কোটি ৫০ লাখ, বেটাৰ নীতিশ ৰাণাক ৪ কোটি ২০ লাখ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে অলৰাউণ্ডাৰ ক্ৰুনাল পাণ্ডিয়াক ৫ কোটি ৭৫ লাখ আৰু গুজৰাট টাইটানছে বলিং-অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰক ৩ কোটি ২০ লাখ টকাত ক্ৰয় কৰে। খেলুৱৈৰ নিলামত আজিংক্য ৰাহানে, পৃথ্বী শ্ব', মায়ংক আগৰৱাল, ছাৰ্দুল ঠাকুৰক কোনো দলে ক্ৰয় নকৰিলে।

ooooo

সমাপ্ত